চৰাই-চিৰিকতি, খেতি-বাতি, গছ-লতিকা, ৰ'দ-বৰষুণ, নিৰ্মল আকাশ আদিৰ ছবি কম-বেছি পৰিমাণে ফুটি উঠিছে। কিছুমান গীতত যৌন ভাৱৰ সলনি গৰখীয়া জীৱনৰ নিৰ্দোষ হাঁহি-ধেমালিৰ কথাহে আছে। কিছুমান গীতত যৌনতা প্ৰকাশ পালেও এই নাঙেলী গীতত এক মহান সত্য লুকাই আছে— সি নিঃসন্দেহ। আদিম কালৰে পৰা মানুহৰ সৃষ্টিৰ প্ৰতি অদম্য হেঁপাহ বৰ্তমান। সেই সৃষ্টি শইচ আৰু সন্তান উভয়ৰে। নাঙেলী গীতৰ মাজতো প্ৰকৃততে এই সৃষ্টিৰেই আহ্বান শুনা যায়। গৰখীয়াসকলেই মাটি আৰু মানুহৰ প্ৰকৃত খেতিয়ক। গৰখীয়াৰ আপদালত পথাৰত ঘাঁহ-পানী খাই ডাঙৰ-দীঘল হৈ পোৱালি দিয়ে ঘৰচীয়া গৰু-ম'হে। গৰখীয়াৰ ৰক্ষণাবেক্ষণতে সেউজীয়া ধাননি সোণোৱালী হৈ পথাৰ ভৰে। সেয়ে সৃষ্টিময় কথা দেখি দেখিয়েই গৰখীয়াৰ অন্তৰতো ধ্বনিত হয় মানুহৰ সন্তান কামনাৰ গীত 'নাঙেলী'। উপৰুৱা দৃষ্টিত অশ্লীল হৈয়ো আভ্যন্তৰীণ অৰ্থত সেয়ে নাঙেলী এক চিৰ শাশ্বত সৃষ্টিৰ কামনা জড়িত সুন্দৰৰ গীত। (চহৰীয়া ঃ ২০০৭ ঃ ২১৯)

আনহাতে নাঙেলী গীতবোৰ দুলড়ী, অনুপ্ৰাস, চন্দ্ৰ আদিৰেও ভৰপূৰ। এনেবোৰ নাঙেলী গীত অসমীয়া সাহিত্যৰ সম্পদ স্বৰূপ। বৰ্তমান গৰখীয়া তথা চৰণীয়া পথাৰৰ অভাৱ, মানুহৰ জীৱন শৈলীৰ পৰিৱৰ্তন, শিক্ষিতৰ হাৰ বৃদ্ধি আদিৰ ফলত 'নাঙেলী' গীতবোৰ হেৰাই যাবলৈ ধৰিছে। নাঙেলী গীতবোৰ উদ্ধাৰ কৰি সংৰক্ষণ কৰাটো অতীব প্ৰয়োজন।

# আত্মবিশ্বাস

**নিপজ্যোতি কলিতা**
প্ৰাক্তন ছাত্ৰ

মানুহ যেতিয়া কিবা এটা ডাঙৰ সফলতা পায় তেতিয়াই একেবাৰে জীৱনটোৰ বাবে সফল হোৱা বুলি ভাবি লয়। ফলত তেওঁ নিজকে 'বিজয়ী বীৰ' বুলি ভাবি কৰ্ম এৰি হাত সাৱটি বহি থাকে। বেছিভাগ মানুহেই এনেকুৱা মানসিক প্ৰৱণতাৰ চিকাৰ হয়। এই মানসিক প্ৰৱণতাবিধ হৈছে অতি আত্মবিশ্বাস।

মানুহে এবাৰ কিছু ডাঙৰ সফলতা লাভ কৰিলে তেওঁৰ মনত এনেকুৱা এটা ধাৰণাই জন্ম লয়— "মইটো পাৰিমেই, মইটো পাৰিছোৱেই।" তেওঁ ভাৱে যে কৰ্ম নকৰিলেও আগৰ দৰে সফলতা পাবই। তেওঁ পাহৰি যায় যে তেওঁৰ সেই সফলতা ইতিমধ্যে অতীত। উদাহৰণ স্বৰূপে এগৰাকী ছাত্ৰ বা ছাত্ৰীয়ে হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৯০% নম্বৰ সহ উত্তীৰ্ণ হ'ল। সকলোৱে জানে যে তেওঁ খুব মেধাৱী। পিছত দেখা গ'ল যে উচ্চতৰ মাধ্যমিক পৰীক্ষাত তেওঁৰ ফলাফল সন্তোষজনক নহ'ল। অতি আত্মবিশ্বাসৰ দ্বাৰা আক্ৰান্ত হৈ তেওঁৰ এনেকুৱা হ'ব পাৰে। সকলোৰে ক্ষেত্ৰত এনেকুৱা নহয়।

গতিকে ক'ব পাৰি যে অতি আত্মবিশ্বাসৰ ফলত মানুহ বিফল হ'ব পাৰে সাময়িকভাৱে অথবা পূৰ্বৰ সফলতাৰ ধাৰাবাহিকতা ৰক্ষা কৰিব নোৱাৰিব পাৰে। সেয়েহে সাৱধান হোৱা উচিত।

অতি আত্মবিশ্বাসৰ ওপৰতে জয়লাভ কৰাৰ কেইটামান উপায়—

১। ইতিবাচক চিন্তা-চৰ্চা কৰিব লাগিব।

২। অতীতৰ সফলতাত বুকু ফিন্দাই বহি নাথাকি বৰ্তমানত আগতকৈ বেছি পৰিশ্ৰমসহ কৰ্ম কৰি যাব লাগিব।

৩। অতি আত্মবিশ্বাসে মনত অহংকাৰৰ জন্ম দিব পাৰে; সেয়ে আত্মসংযমী হ'ব লাগে।

# আকৌ কেতিয়ালৈ লগ পাম তহঁতবোৰক

চন্দনা ৰাজবংশী
প্ৰাক্তন ছাত্ৰী

আৰু কেতিয়াও ঘূৰি নাহে সেই দিনবোৰ। স্মৃতিবোৰে চাগে আমালৈ চাই হাঁহিব হৃদয়ৰ বেদনা এক চুকত বহি "চোৰা ইহঁতে হাঁহিব নাজানে, ইহঁতে অকলে হাঁহে।" সঁচাকৈয়ে আমি হাঁহিব পাহৰিলো, আমাৰ হাঁহি এতিয়া মোৰ আৰু তহঁতৰ হ'ল। এতিয়া আমাৰ হাই-উৰুমিত ক্লাছত বাধা নজন্মেও। ভাবিলে আচৰিত লাগে, সৌ সিদিনা আমি একেলগে বহি ৰং ধেমালি কৰি শিকিছিলো, চাৰ বাইদেউৰ গালি খাইছিলো। সদায় একেলগে বহি থাকোতে কেতিয়া পাৰ হৈ গ'ল দিনবোৰ গমেই নাপালো।

এতিয়াও যাওঁ সেই ঠাইখিনিলৈ কেতিয়াবা। একেই আছে সকলোবিলাক, একেই আছে শিক্ষণ বিভাগৰ 'Psychological lab'। একেই আছে চাৰ-বাইদেউসকল আৰু একেই আছে আমাৰ 'Air Condition' কোৰিডোৰটো, কিন্তু, একে নাই মাথো ক্লাছত বহি থকা ল'ৰা-ছোৱালী বিলাকহে। ক্লাছাত সোমাম বুলি কোৰিডোৰত ৰৈ থকা বিলাক আমি নহয়, সন্মুখৰ চিৰিত বহি থকাবোৰো আন কোনোবাহে। আমাক বিচাৰি পাবলৈ আমি আৰু তাত নাই। আমিবোৰ চাগে আৰু 'আমি' হৈ থকা নাই। কাৰণ একেলগে বহি হাঁহিবলৈ, একেলগে "ৱাল মেগেজিন"ৰ কাম কৰিবলৈ, বিজয়া মেমৰ লগত একেলগে ফুল ৰুবলৈ উভতি নাযাম চাগে কোনোৱে। লাহে লাহে বাৰু আমিবোৰ ইজনে সিজনৰ অচিনাকি হৈ পৰিম নেকি, আৰু আমি একেলগে হাঁহিব পাহৰি যাম নেকি?

যেতিয়া মই মোৰ অতিকৈ আপোন মোৰ কলেজখনলৈ যাওঁ মনটো ৰঙত নাচি উঠে, কিন্তু তাত গৈ যেতিয়া তহঁতবোৰক বিচাৰি নাপাওঁ, সকলো বিলাক শূন্যতাই আৱৰি ধৰে। মনত পৰে তহঁতক বৰকৈ। এতিয়া আৰু কোন ক'ত থকা, কি কৰিছা নাজানো, কিন্তু মোৰ বিশ্বাস আমি সকলোবোৰে সদায় একেই হৈ থাকিম। কোনো কাকো পাহৰি নেপেলাও। সেয়ে তহঁতবোৰক আকৌ একেদৰেই লগ পোৱাৰ আশাত ...।

---

# পৰুৱাই বাট চিনে কেনেকৈ?

যতীন্দ্ৰ বড়ো
স্নাতক ষষ্ঠ যান্মাসিক (বিজ্ঞান)

একোবাহ পৰুৱা সদায় একেলগে থাকে আৰু একে বাটেৰেই যায়। কেনেবাকৈ সিহঁতৰ লগ এৰা এৰি হ'ব পাৰে বুলি ভাবি প্ৰতিটো পৰুৱাই গৈ থাকোঁতে বাটত একোটা চিন দি থৈ যায়। সিহঁতৰ গাত থকা এবিধ গ্ৰন্থিৰ পৰা গোন্ধ থকা এবিধ ৰাসায়নিক পদাৰ্থ ওলায়। পৰুৱাই এই পদাৰ্থকে বাটে বাটে পেলাই গৈ থাকে। পৰুৱাৰ প্ৰতিটো প্ৰজাতি বা পৰিয়ালৰে এই ৰাসায়নিক পদাৰ্থৰ গোন্ধ বেলেগ বেলেগ। গতিকে পৰুৱাই নিজৰ পৰিয়ালৰ ৰাসায়নিক পদাৰ্থৰ গোন্ধ ধৰিব পাৰে আৰু সিয়ে সিহঁতক বাট চিনাত সহায় কৰে।

# ভয়

বিশ্বজিৎ শালৈ
স্নাতক দ্বিতীয় যাণ্মাসিক

ভয়, এটা সাধাৰণ শব্দ। দেখাত সাধাৰণ হলেও ই কিন্তু সন্ত্ৰাসবাদৰ দৰে কেতিয়াবা কালও হব পাৰে। যেতিয়াই মানুহে কোনো আশ্চৰ্যজনক বস্তু দেখে বা তেনেকুৱা কোনো কথা অনুভৱ কৰে, তেতিয়াই এই ভয়ে মানুহক আক্ৰমণ কৰে। হঠাতে কৰ পৰা আহে এই ভয় ? কোনে জানে এই কথা ! মই হলে ইয়াৰ একো অৰ্থ বুজি নাপাওঁ।

মোৰ হলে বিৰাট সাংঘাটিক ভয় আহে দেই। মানুহে হয়তো হাঁহিব পাৰে, ল'ৰা মানুহেনো ভয় কৰেনে ? হাঁহিলেও উপায় নাই। মই ক'বলৈ বাধ্য। মই প্ৰায় নৱম শ্ৰেণীলৈকে ৰাতি ঘৰৰ পৰা অকলে ওলাব পৰা নাছিলো। এতিয়াও মোৰ সেই ভয়টো নথকা নহয়। অলপ অলপ এতিয়াও আছে। আচলতে মই অইন ল'ৰা বিলাকৰ দৰে বেছি ফুৰা-চকা নকৰোঁতো, সেই কাৰণে বোধ হয় অইনবোৰৰ তুলনাত মোৰ ভয়ৰ পৰিমাণটো অলপমান বেছি।

মানুহে কয়, ল'ৰা-ছোৱালী ডাঙৰ হলে বোলে ভয় নকৰা হয়, সাহসী হয়, কিন্তু মোৰ ক্ষেত্ৰত এইটো সম্পূৰ্ণ ওলোটা। মোৰ ভয়ৰ পৰিমাণ দিনে-দিনে বাঢ়িহে গৈ আছে, ঢল পানী বঢ়াৰ দৰে। মহাবিদ্যালয় সপ্তাহৰ খেল-ধেমালিবোৰত মোৰ অংশগ্ৰহণ কৰিবলৈ ইচ্ছা যায়। একেবাৰে নকৰা নহয় সেইবুলি, প্ৰাইজো আনিছো। যেতিয়াই মই এইবোৰত অংশগ্ৰহণ কৰোঁ। তেতিয়াই মোক সেই বস্তুটোৱে (ভয়) আক্ৰমণ কৰে। কিজানিবা অসফল হওঁৱে নেকি ? মই, এনেকুৱা ভাব হয় মনত।

লাজৰ কথা, যেতিয়া মই উচ্চতৰ মাধ্যমিকৰ ফাইনেল পৰীক্ষা দিছিলো, সেই সময়ত মই ৰাতিলৈকে পঢ়িছিলো। আচলতে ইয়াত 'মই' বুলি ক'লে ভুল হব সকলোৱে পঢ়ে সেই সময়ত। তথাপিও মোৰ মজা আছিল অলপ বেলেগ। পঢ়াৰ সময়ত মোৰ ওচৰত মোৰ মা বহি আছিল। মই ভয় কৰাৰ কাৰণে। হাঁহি উঠা কথা ! পঢ়ি থকা সময়ত মায়ে টোপনি মাৰে একফালে চকিত বহি আৰু মই টোপনি মাৰো। আনটো ফালে টেবুলত মুৰ গুজি। মায়ে কেতিয়াবা টোপনিতে কৈ উঠে, "পঢ়ি আছা নে তই ?" ময়ো তেতিয়া টোপনিতে উত্তৰ দিছিলো, "অ' মা।" অলপ ভাগৰ লাগছি ৰহ্, সেই কাৰণে মুৰটো পেলাই দিছো টেবুলত। আচলতে মই তেতিয়া টোপনিহে মাৰি আছিলোঁ।

মই বুজি নাপাওঁ, মোৰে অকলে ইমান ভয় নে সকলোৰে লাগে। কেতিয়ালৈকে থাকিবনো মোৰ লগত এই বস্তাটো। মাজে মাজে এনে ভাব হয়, মৃত্যুৰ কেই ছেকেণ্ডমান আগতহে বোধহয় এইটোৱে মোক এৰা দিব। হে হৰি, মোক এনেকুৱা শক্তি দিয়া যাতে নিমিযতে হেৰাই যায় এই ভয়, মোৰ পৰা। জুইৰ ভয়ত উধান পলোৱাৰ দৰে। অনুভৱেই অনুভৱ কৰিব নাজানিলে ভয় নাই। মই আৰু অনুভৱ নকৰোঁ, মোৰো ভয়টো নোহোৱা হওঁক। তাৰে কামনাৰে ....

# প্ৰেম, ভালপোৱা আৰু বন্ধুত্ব

নবজিৎ কলিতা
স্নাতক চতুৰ্থ যান্মাসিৰ্ক

জীৱনত কেতিয়াবা নভবাকৈয়ে এনে কিছুমান ক্ষণ আহে যাৰ আকস্মিতাই বহু সময়লৈ ভবাই তোলে। সময় নৰলেও যেন থমকি ৰৈ যাব খোজে জীৱন। যদি পিছলৈ উভতি চাও থোপা-থোপে সোঁৱৰণিৰ বাহিৰে একোৱেই নাথাকে কাষত।

আবেলি মই এনেয়ে ওলাই যাওঁ। স্মৃতিবোৰ সজীৱ হৈ পৰে। স্কুল, কলেজৰ বহু ৰঙীন দিন এই ৰাস্তাটোৰেই অহা-যোৱা কৰি কটালো। এইটো ৰাস্তাৰে লিজা, জুমনহঁতৰ লগত আহি থাকোতে, এদিন তাই কথা এটা কৈ আঁতৰি গৈছিল। এইটো বাটেৰে আহি থাকোঁতেই এদিন লিজা আৰু জুমনৰ মাজত কাজিয়া হৈছিল। পাছত দুয়োটাই ইটোৱে সিটোক নমতা হৈছিল। এইটো বাটেৰে বহুদিন তাইৰ সৈতে খোজকাঢ়ি ফুৰিছিলো। বহু কথা পাতিছো। কৈ থাকিলেও শেষ নোহোৱা কথা। মোৰ জীৱনত প্ৰতি মুহূৰ্ততে প্ৰয়োজন হোৱা মানুহবোৰৰ ভিতৰত তাই আৰু লিজা সংপৃক্ত হৈ পৰিছিল। সময়ৰ গতিত গভীৰ হৈ পৰিছিল কিছুমান সম্পৰ্ক। গভীৰ হৈছিল কিছুমান ভাবনা আৰু সলনি হৈ পৰিছিল জীৱন। সদায় কাষত পাই অহা মানুহবোৰো কোনো কোনো সময়ত হৈ পৰে একোটা অচিনাকি চৰিত্ৰ। মই বুজি পাইছিলো মানুহৰ মনবোৰ বুজি পাবলৈ যত প্ৰয়োজন হয় অনেক শতাব্দীৰ প্ৰহৰ।

"The perpose of relationship is not to have some one who might complete u, but to have some one with whom u might share ur incompleteness.

জীৱনে সকলো সময়তে 'ছাৰপ্ৰাইজ' দি যায় আমাক। মোৰ অলক্ষিতেই তাইৰ সৈতে থকা মোৰ হৃদয়ৰ সম্পৰ্কটো ভাগি চুৰমাৰ হৈ গৈছে। কাৰ, ক'ত ভুল হৈছিল মই আজিও নাজানিলো। কিন্তু জানিবলৈ মই খেপিয়াই ফুৰিছো, স্মৃতিবোৰ। লাহে লাহে যেন চকুৰ পৰা আঁতৰ হৈ তাইৰ মনৰ পৰাও মই আঁতৰি পৰিলো। আৰু তাই বেলেগ এজনৰ লগত থকা সম্পৰ্কৰ খবৰটোও পালো। মই কন্দা নাছিলো সিদিনা কিন্তু ফেচবুকত জধে-মধে বহুত ষ্টেটাচ শ্বেয়াৰ কৰিছিলো।

লিজাই কেতিয়াবা ফোন কৰে, খবৰ খাতি লয়। উৎসাহ দিয়ে জীয়াই থাকিবলৈ, জীৱনটোক উপভোগ্য কৰি তুলিবলৈ।

ঃ থেংক ইউ য়াৰ। সকলোৱে মোক পাহৰি গ'ল। তই যে এতিয়াও মোক মনত ৰাখিছ।

---

# জানি থোৱা ভাল

মিনাক্ষী বড়ো

আমাৰ দৈনন্দিন জীৱনত কাগজৰ ভূমিকা অপৰিসীম। স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ পৰা আৰম্ভ কৰি প্ৰায় সকলো লোকেই দিনটোত এবাৰ হলেও কাগজ ব্যৱহাৰ কৰিবলগীয়া হয়। কাগজ কোনে আৱিষ্কাৰ কৰিছিল জানানে? কেবাশ বছৰৰ পূৰ্বে চীনৰ ছি লুন নামৰ এজন লোকে কাগজ আৱিষ্কাৰ কৰিছিল। তাৰ পূৰ্বে শিলাখণ্ডত খোদাই কৰি লিখন কাৰ্য সম্পন্ন কৰাৰ ব্যৱস্থা আছিল। তাৰ পিছত সাঁচিপাতকে ধৰি বিভিন্ন গছৰ বাকলিত মানুহে বিশেষ ব্যৱস্থাৰে লিখিছিল। কিন্তু এইদৰে লিখাৰ বাবে চিয়াহীৰ প্ৰয়োজন হৈছিল। সেই চিয়াহীও চীনা লোকসকলৰ অৱদান। ১৪০০ বছৰৰ পূৰ্বে চীনা লোকসকলে চিয়াহী তৈয়াৰ কৰা পদ্ধতি আৱিষ্কাৰ কৰে। তেওঁলোকে সেই সময়ত বিশেষভাৱে তৈয়াৰ কৰা লণ্ঠন জ্বলালে ওলোৱা ছাঁইত এবিধ আঠা আৰু পানী মিহলাই চিয়াহী তৈয়াৰ কৰিছিল।

# Economics ক্লাছ আৰু আমি

জিতুল ঠাকুৰীয়া
স্নাতক ষষ্ঠ ষান্মাসিক

শিৰোনামা Economics দিলো, কিন্তু মই Economics ৰ ভিতৰৰ কথাবোৰ ক'বলৈ নাযাওঁ, মই কেৱল Economics আৰু মোৰ সম্পৰ্কটোৰ বিষয়েহে অলপ কব বিচাৰিম।

Economics প্ৰথমে লগ পাইছিলো উচ্চতৰ প্ৰথম বৰ্ষত। তেতিয়া ইমান এটা আগ্ৰহ নাছিল এই বিষয়টোৰ প্ৰতি। সকলোৱে কয় Economics বিষয়টো হেনো অলপ টান বিষয়। মইয়ো তাকেই ভাবি Economics ত প্ৰথম বৰ্ষত সিমান এটা আগ্ৰহ দিয়া নাছিলো। কিন্তু লাহে লাহে গম পালো Economics হেনো বহুত interesting বিষয়। আমি দৈনন্দিন জীৱনত কৰি থকা কামবোৰৰ বিষয়ে সেই বিষয়ত আলোচনা কৰা হয়। তাৰ পিছত সেই বিষয়টো ভালদৰে জানি ল'ব মন গ'ল। বিষয়টোত বহু কেইটা ভাল লগা point আছিল। বস্তুৰ দাম বাঢ়িলে চাহিদা কমে আৰু বস্তুৰ দাম কমিলে চাহিদা বাঢ়ে। এনেকুৱা কিছুমান শব্দ পঢ়িব পাই Economics বিষয়টো বেছি ভাল লগা হৈছিল। উচ্চতৰ মাধ্যমিক পৰীক্ষাত পাছ কৰিলো। Economics ত মেজৰ লৈ ডিগ্ৰী পঢ়িম বুলি সিদ্ধান্ত ল'লো। প্ৰথম বছৰটোত মোৰ লগতে আৰু কেইজনমান বন্ধুয়ে এই বিষয়ত মেজৰ লৈছিল। সিহঁত আছিল নিপজ্যোতি বৰ্মন, ভৱেশ মেধী, দিনেশ ৰাভা, জয়ন্ত দাস, বিদ্যুত মহন্ত, পৃথিৰাজ বড়ো আৰু ৰাজেন্দ্ৰ বড়ো। আমি সকলোবোৰ ভাল বন্ধু আছিলো।

সেই সময়ত আমাৰ Economics Department ৰ ছাৰ আছিল Akan Ch. Patowary Sir, Dipanjali Das Mem, Prahlad Bharali Sir। কিন্তু এতিয়া আমি অকণ ছাৰক হেৰুৱাই পেলাইছো। তেওঁ ২০১২-১৩ বৰ্ষত মৃত্যুক সাৱটি লৈছিল। আমি সকলোৱে অকণ ছাৰলৈ শ্ৰদ্ধাঞ্জলি যাচিছোঁ। অকণ ছাৰৰ ক্লাছ আমি পাইছিলো, তেওঁ ভালদৰে আমাক বুজাবলৈ চেষ্টা কৰিছিল, কিন্তু ছাৰৰ মাতটো আছিল অলপ সৰু। গতিকে আমি কমকৈ শুনিছিলো। তথাপি ছাৰৰ ক্লাছ কৰি ভাল লাগিছিল। ইয়াৰ পিছত আহিল ভৰালি ছাৰ। ছাৰ আমাৰ কাৰণে সকলোতকৈ ভাল আছিল। ছাৰক আমি উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষৰ পৰা লগ পাইছিলো। সেয়ে ছাৰে আমাক ভালদৰে বুজি পাইছিল। আমি পঢ়াত কিমান পণ্ডিত সেইটো আগৰ পৰাই জানিছিল গতিকে ছাৰে আমাক বেছি গুৰুত্ব দি পঢ়াৰ চেষ্টা কৰিছিল। আৰু আমি সকলোৱে ছাৰৰ ক্লাছ ভালদৰে কৰিছিলো। এইবাৰ আহিল আমাৰ দীপাঞ্জলি বাইদেউৰ ক্লাছ—বাইদেউৰ ক্লাছ সকলোৰে বাবে ভয়ানক আছিল, কাৰণ বাইদেউ আছিল বহুত স্পষ্টবাদী। বাইদেউ কিবা বেয়া দেখিলে বা ভাল দেখিলে সন্মুখতে কৈ দিছিল। আমিও ভয় খাইছিলো প্ৰথমতে, কিন্তু পিছলৈ সকলোবোৰ ঠিক হৈ গৈছিল। বাইদেউৰ ক্লাছৰ পৰাও আমি বহুত কথা শিকিব পাৰিছিলো।

Economics হ'ল এটা গুৰুত্ব পূৰ্ণ বিষয় কিন্তু বেছি ভাগে Economics ক'ত ব্যৱহাৰ কৰে ধৰিব নোৱাৰে। তেনেকুৱা কিছুমান সূত্ৰ আমাৰ মাজত আছিল। আৰু সেই কাৰণে আমি এই বিষয়টোৰ ওপৰত ভালদৰে গুৰুত্ব দিব ধৰিছিলো। সিহঁতৰ ওপৰিও আমি জেহেৰুল ইছলাম ছাৰ, অমূল্য ছাৰক লগ পাইছিলো। কিন্তু ইছলাম ছাৰে এটা বছৰ ক্লাছ কৰি চাকৰি এটা পোৱা কাৰণে আমাৰ কলেজৰ পৰা ছাৰে যাব লগীয়া হৈছিল। কিন্তু অমূল্য ছাৰক এতিয়াও পাই আছো। অমূল্য ছাৰেও আমাক বহু জ্ঞান দিবলৈ আৰু আমি ছাৰৰ পৰা ল'বলৈ সক্ষম হৈছো। ছাৰৰ ক্লাছ কৰিও কিবা এটা মজা আছে।

আজি আমি তৃতীয় বৰ্ষৰ ছাত্ৰ। আমি এই কলেজখন এৰি যোৱাৰ পিছত এই স্মৃতিবোৰে আমাক খুব আমনি কৰিব। Economics ৰ লগত আৰু বহু কথা আছিল ক'ব কিন্তু ইয়াত লেখি ইমান কথা কোৱা সম্ভৱ নহয়। গতিকে এইখিনি কৈ মই মোৰ লেখা সামৰণি মাৰিলো।

"জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয়"

# পৃথিৱীৰ উৎপত্তি কেনেকৈ হৈছিল ?

যতীন্দ্ৰ বড়ো
স্নাতক ষষ্ঠ ষান্মাসিক (বিজ্ঞান)

পৃথিৱী এটা গ্ৰহ। পৃথিৱীৰ বিষয়ে এতিয়ালৈকে যিখিনি তথ্য আহৰণ কৰিব পৰা হৈছে তাৰ ভিতৰত উল্লেখযোগ্য তথ্যটো হ'ল যে সৌৰজগতৰ ভিতৰত একমাত্ৰ পৃথিৱীতেই জীৱৰ বসতি আছে।

বৰ্তমান আমি বাস কৰা পৃথিৱীখন অতীজতে এনে নাছিল। বহু বিজ্ঞানীৰ মতে সূৰ্যৰ পৰা উৎক্ষিপ্ত আৰু অনন্ত মহাকাশত ঘূৰ্ণীয়মান এটা প্ৰকাণ্ড অগ্নিপিণ্ড ক্ৰমে চেঁচা হৈ গোট মাৰি পৃথিৱীখনৰ সৃষ্টি কৰিছে। বৰ্তমানৰ অৱস্থালৈ আহোঁতে অৱশ্যে পৃথিৱীক কেইবা কোটিও বছৰ লাগিছে।

ফৰাচী বিজ্ঞানী লে প্লাছৰ মতে এটা ঘূৰ্ণীয়মান নীহাৰিকাৰ এটা অংশই হ'ল সূৰ্য। নীহাৰিকাটো প্ৰচণ্ড বেগত ঘূৰোঁতে ঘূৰোঁতে তাৰ একো একো অংশ খহি গৈ তাৰ পৰাই পৃথিৱী আৰু অন্যান্য গ্ৰহ-উপগ্ৰহৰ সৃষ্টি হৈছে।

লে প্লাছৰ বহু বছৰৰ পাছত ইংৰাজ বিজ্ঞানী জেমছ জীনছ আৰু হেৰল্ড জেফ্ৰিছে এটা মতবাদ আগবঢ়াই ক'লে যে আমাৰ সূৰ্যতকৈ কেবা কোটি গুণ ডাঙৰ এটা প্ৰকাণ্ড নক্ষত্ৰ মহাশূন্যত হঠাৎ সূৰ্যৰ নিচেই ওচৰলৈ আহে। সেইটো সূৰ্যৰ কাষেদি প্ৰচণ্ড বেগত পাৰ হৈ যাওঁতে তাৰ আকৰ্ষণত সূৰ্যপৃষ্ঠত প্ৰচণ্ড জোৱাৰৰ সৃষ্টি হৈছিল। ইয়াৰ ফলত সূৰ্যৰ পৰা কিছু অংশ গেছীয় ৰূপত বাহিৰলৈ ওলাই আহে। এই বিচ্ছিন্ন অংশখিনিয়েই ক্ৰমে সংকুচিত আৰু শীতল হৈ গ্ৰহ-উপগ্ৰহ হ'ল আৰু সূৰ্যৰ চাৰিওফালে পৰিভ্ৰমণ কৰিবলৈ ধৰিলে। তেনে এটি অংশৰ পৰাই আমাৰ পৃথিৱীখনৰো সৃষ্টি হৈছিল। কিন্তু বিজ্ঞানীসকলে এই মতবাদো ত্ৰুটিহীন বুলি ক'ব নোখোজে। বিজ্ঞানীসকলৰ মতে জীনছ-জেফ্ৰিছৰ মতবাদ যদি শুদ্ধ হয়, তেনেহলে গ্ৰহবোৰ সূৰ্যৰ ওচৰে ওচৰে থাকিব লাগিছিল। কিন্তু সেয়া হোৱা নাই; সূৰ্যৰ গ্ৰহবোৰৰ পাৰস্পৰিক দূৰত্ব যথেষ্ট বেছি।

ইয়াৰ পাছত বিজ্ঞানী হয়েলে আন এটা মতবাদ আগবঢ়ায়। তেওঁ ক'লে যে মহাশূন্যৰ পিনে চালে বহু যুগ্ম-নক্ষত্ৰ (একেলগে থকা দুটা তৰা) দেখা যায়। পূৰ্বতে সূৰ্য আৰু আন এটা নক্ষত্ৰ এনেদৰে যুগ্ম অৱস্থাত আছিল। কল্পনাতীত প্ৰচণ্ড বেগেৰে আৱৰ্তনৰ ফলত বহু কোটি বছৰৰ পূৰ্বে নক্ষত্ৰটোত বিস্ফোৰণ ঘটে। ফলত নক্ষত্ৰটোৰ কিছু অংশ থাকি যায় আৰু বাকী অংশ বহু শতকোটি কিলোমিটাৰ দূৰৈত পৰেগৈ। সূৰ্যৰ অংশ আৰু সেই নক্ষত্ৰটোৰ অংশৰ পৰাই আমাৰ সৌৰজগতৰ গ্ৰহ আৰু উপগ্ৰহবোৰৰ সৃষ্টি হৈছে। হয়েলৰ এই মতবাদৰ নাম 'যুগ্মতাৰকাবাদ'। বিজ্ঞানীসকলৰ বহুতেই হয়েলৰ এই মতবাদটো সমৰ্থন কৰে যদিও পৃথিৱীৰ সৃষ্টিতত্ত্ব এতিয়াও ৰহস্যাবৃত।

---

# সাথৰ ঃ

মিচ বেবি বড়ো
প্ৰথম যান্মাষিক

ক) যদিও নপৰো মই ফুলৰ শাৰীত।
তথাপিও মোক লাগে পূজা বেদীত ।
মানুহ নহও মই গাত আছে চোলা
শামুক নহও মই গাত আছে খোলা ।
গংগাৰ নহও মই পবিত্ৰ জল
মোৰ নাম নাজানিলে জীৱন বিফল ।

উত্তৰ ঃ নাৰিকল ।

খ) ওপৰেদি উৰি যায় নহয় সৰালি
থাপ মাৰি ধৰি খাওঁ বৰালি
জুনুকা নহয় সিটো ৰুণু জুনু বাজে
উৰিবৰ সময়ত ধুনীয়াকৈ সাজে ।

উত্তৰ ঃ খেউলি ।


কবিতা মঞ্জৰী

# সেই যে চেঁকুৰা ঘোঁৰাটো

*(যোৱা ২২/৯/২০১৪ ইং তাৰিখত বকোৰ ডিৰমা-দিলিংগা অঞ্চলত হোৱা প্ৰলয়ংকৰী ধলপানীৰ পৰিপ্ৰেক্ষিতত)*

**ড° ক্ষীৰোদ কুমাৰ ঠাকুৰীয়া**
সহযোগী অধ্যাপক, অসমীয়া বিভাগ

সেই যে চেঁকুৰা ঘোঁৰাটো
সি ইমান চেঁকুৰে নে?
তাৰ তাণ্ডৱ চেকুৰণিত
চিনাকি গাঁওখন অচিনাকি হৈ গ'ল।
ম্লান হৈ গ'ল—
সেউজী পথাৰৰ সেউজীয়া বং।
সি প্ৰতিবছৰেই আহে
কিন্তু প্ৰতি দহ বছৰৰ মূৰে মূৰে
তাৰ গাত দেওধনি উঠে।
যোৱা দহ বছৰ আগতে বলবলা অঞ্চলত
সি আহিছিল—
কেঁচাইখাঁতী গোঁসানী হৈ
সদ্যজাতকক চৰুত উটুৱাই নিবলৈ
বিভীষিকা-বিভীষিকা
মাথোন মৃত্যুৰ বিভীষিকা লৈ।
এইবাৰ সি আহিছে—
লহ্ লহ্কৈ জিভা মেলি
বসনহীনা হৈ।
এতিয়া ডিৰ্মা-দিলিংগাৰ আকাশত
শগুণ উৰিছে।
আৰু উৰিছে—
নিউ-নিউ কৈ চিএঙৰা ফেঁচাৰ জাক।
ববহুদুৰ মাতত—
বুঢ়ী আইতাৰ কলিজা কঁপিছে।
উৰুখা পঁজাৰ বাহচাঙৰ পৰা অহা
করুণ বিননিত
গছৰ পাত সৰিছে।
সুতো-পৰ্দা-বিতোপনকে ধৰি
বহুজনৰ প্ৰেতাত্মাই এতিয়াও নিশা উচুপে
কেতিয়াবা বেৰত গা ঘঁহে
দুৱাৰ খোলাৰ শব্দও কৰে।
বালিঝাৰৰ বালিচাৰত লগা শিশুটিৰ
পৰিচয়েই নোলাল
আৰু ভেল্লাত ওপঙি থকা সদ্য বিৱাহিতা কইনাজনী?
যিয়ে স্বামীক মনৰ কথাকে ক'ব নোৱাৰিলে।
শিংৰাৰ জলসিঞ্চন আৰু ৰেলআলি
এতিয়া মৃত্যুৰ ফাণ্ড
তাত জমৰজাই মৃত্যুৰ বেহা পাতে।
দুৰ্দান্ত কুলুং এতিয়া ক্ষান্ত
ৰজাডুবিৰ দুয়োকাষে ঘা লাগিছে।
নৈ কাষৰীয়া দেওলগা শিমলুৰ গাত
সেয়া কোনোবা মৃতকৰ কাপোৰ
যেন চেঁকুৰা ঘোঁৰাটোৰে
যুদ্ধজয়ৰ পতাকা তৰিছে।
সেই যে কেঁচুৱা ঘোঁৰাটো
সি ইমান চেঁকুৰে নে?
সি আমাৰ সকলো আশাকে কাঢ়ি নিলে
নিলে আকাশৰ বং
অহা দহ বছৰত সি বা আৰু
কি ৰূপ লয়?

# ল'ৰালি

মিচ অনামিকা কলিতা
স্নাতক চতুৰ্থ যান্মাসিক (কলা)

ৰাতিপুৱাই শুই উঠি
এটি এঙামুৰি মাৰি
দৌৰি দৌৰি আহিলো নৈৰ পাৰলৈ;
কটাম সমনীয়াৰ ম'তে
হাঁহি খিকিন্দালি কৰি গোটেই দিনটো
সময় নাই অকনো জিৰাবলৈ।

হাতে হাত ধৰি
অলং দলং খেলি
মিছা ভোজ খাম নৈৰ বালিত;
পকা পকা আম পাৰি
বৰলৰ টোপ ভঙি
বৰশীৰে মাছ মাৰিম নিজান পানীত।

ৰ'দ বতাহ নাজানো কি
ভাল পাওঁ ল'ৰা ধেমালি
কিৰালিত জহতক জনাওঁ;
আমাৰ নিচিনা কৰি
বন্দী গৰুক এৰি দি
গৰখীয়াৰ ভয়ত দৌৰি পলাওঁ।

পকা পকা ধাননি
শইচৰ ৰহন সিঁচি
কৰে সেউজী সোনোৱালী;
লহৰত বৈ বতাহ
মাতা যেন গম পাওঁ
সিহঁতে দি হাত বাউলী।

পশ্চিমৰ আকাশৰ ফালে
বেলিয়ে মেলানি মাগে
বাৰে বাৰে যেন কৈ দিয়ে;
গৰখীয়াই গৰু লৈ
এৰিলে চৰনীয়া পথাৰ
সন্ধিয়া হ'ল যোৱা আটায়ে।
তুলসীৰ তলত চাকি
মায়ে প্ৰাৰ্থনা কৰে
হাত ভৰি ধুই আহি বহিলো;
মোৰ ফালে মাৰ চকু ঘোপা
দিয়ে এটা কাণ চেপা
সকলোৱে শুনে 'আই ঐ মৰিলো।
ভাত-পানী নাবাঢ়োতে
চকু জাপ খায় টোপনিত
মাৰ ধমকিত আকৌ ধৰে ঠন;
মাৰ ম'তে ওচৰত বহি
চৌকাৰ জুই খুঁচৰি
বাৰে বাৰে হয় উগুল থুগুল মন।
মাৰ মৃদু ভাষা
সদায় কয় সাধুকথা
শোৱা পাটিত বৈ গ'ল টোপনিৰ ধল;
পাৰ হৈ গ'ল ল'ৰালি
সময়ৰ ম'তে ওমলি
আহি দেখা দিলে বহুটো বিশৃংখল।

# তোমালৈ বুলি দু-আষাৰ মান কথা

গৌৰৱ জ্যোতি বড়ো
স্নাতক ষষ্ঠ ষান্মাসিক

বহুদিন হ'ল হাতত নীলা কলম আৰু
সমুখত কাগজ কেইখিলামান লৈ
টেবুলত বহা নাই
ভাল হোৱা নাই বুলি কাগজ ফালি ফালি
তোমালৈ বুলি চিঠি এখন লিখা নাই
কলমৰ চিয়াহী শুকাই গৈছে
কাগজবোৰো দেখোন উঁয়ে কুটিছে
জীৱনৰ তিক্ততাত পাহৰি পেলাইছো
তোমাৰ হৃদয়ৰ ঠিকনা
পাহৰি পেলাইছো মিঠা কথাৰ সুমধুৰ সুৰ
পাহৰি পেলাইছো চিঠিৰ কাৰু-কৌশল
এতিয়া আশ্ৰম মাথো কবিতা
আশ্ৰয় অভিনয়
কবিতাৰে ক'ব খুজিছোঁ জীৱনৰ যাতনা
কৌতুক কৈ হাঁহি হুহুৱাইছো
চিনাকি অচিনাকি অনৈক জনক
অন্তৰেৰে কান্দিছো যেনেদৰে আকাশে কান্দে
বৰষুণ নাম দি
কাহানিবাই শেষ হ'ল 'মোৰ মৰম লবা' বুলি কৈ
চিঠি লিখাৰ হেঁপাহ
কাৰণ তোমাৰ ঠিকনা এতিয়া
বিস্মৃতিৰ এন্ধাৰ বুকুত।

# প্ৰেমৰ চাকি গছি

মিচ অম্বিকা ৰাভা
স্নাতক চতুৰ্থ ষান্মাসিক (কলা)

তোমাৰ প্ৰেমৰ নামত জ্বলোৱা চাকিয়ে
পোহৰায় হিয়াৰ কোঠালি
সেই পোহৰত কল্পনাই কৰে খিল্‌খিল্‌
হাঁহি-ধেমালি
পাহৰাই ৰাখে দুঃখ-বেদনা
পাহৰাই ৰাখে জীৱনৰ জটিলতা
জীয়াই ৰাখে হৃদয়ৰ প্ৰতিটো
উশাহ-নিশাহ
তোমাৰ প্ৰেমৰ প্ৰতিটো কথাই হৈ পৰে
মোৰ বাবে প্ৰিয়গীত
সকলো কামেই দিয়ে আগ বঢ়াৰ
অনন্য উদ্দীপনা।

# আশা

শ্ৰীখতুপৰ্ণা কলিতা
স্নাতক চতুৰ্থ ষান্মাসিক

ঘাত-প্ৰতিঘাতত বিধ্বস্ত
জীৱনৰ বাট
পদে পদে উজুটি
কতজনে কান্দে হেৰুৱাই
পথৰ পোহৰ
ইমানৰ পিচতো নহয় স্তব্ধ
জীৱনৰ গতি
মনৰ মাজত জ্বলি থাকে
অনিৰ্বান এগছি আশাৰ চাকি
উজুটি এন্ধাৰক আওকাণ কৰি
গৈ থাকে প্ৰতিজন
হ'ব বুলি ভাবি এদিন
জীৱন মসৃন।

# মনত পৰে সেই ৰুমাল খনি

প্ৰফুল্ল দাস
স্নাতক প্ৰথম যান্মাসিক

মাজে মাজে জ্বলি উঠে মোৰ
বুকুত উম লৈ থকা জীয়া জুইকুৰা
জ্বলি জ্বলি দহি থাকে
হিয়াৰ আমঠু
অতীতৰ ৰঙা ৰুমাল খনিৰ ছবিয়ে
বোৱাই আনে দুধাৰি চকুলোঁ
বিচাৰিলে পামনে হেৰুৱা মোৰ
প্ৰাণৰ ৰুমাল
কাৰ বাৰু হ'ল বুকুৰ আপোন
মচি আছে কাৰ সুখ-দুঃখৰ চকুপানী
কিয় বাৰু পাহৰিব পৰা নাই
তাহানিৰ চেনেহৰ সেই
ৰঙা ৰুমাল খনিক।

---

# উপলব্ধি

মিচ্ মনোমতী কলিতা (ঠিনা)
স্নাতক পঞ্চম যান্মাসিক

সপোনৰ মাজত আঁকিছিলো।
আশাৰ ৰঙীন ছবি।
জীৱন-নদীত সাতুৰি-নাদুৰি
ভাগৰি পৰিছো আজি।
নাজানিলো একোকে
নুবুজিলো একো,
হাত মেলিলেই সৰগ ঢুকি নেপায়
এতিয়াহে বুজিলো।
তথাপি ভাগৰা নাই
আশাটো থাকিবই,
জীৱন জোৰা কঠিন সংগ্ৰাম
জীৱনৰ কোনোবা এটি
আঁৰত নিশ্চয় পাম;
মোৰ বিফলতাৰ পৰিত্ৰান।।

# শৰতৰ ৰাতি বাঁহীৰ বিননি

প্ৰিয়ংকা ৰাভা
উঃমাঃ ২য় বৰ্ষ

শৰতৰ এক নিৰ্জন নিশা
গভীৰ নিদ্ৰাত মই
হঠাৎ নিৰ্জনতা ভেদি ভাহিছে এটি
বাঁহীৰ সুৰ
হুদুখুতা পথাৰৰ কাষৰ নৈৰ পাৰত
কোনে জানো বজাইছিল
সেই বাঁহী
এনে লাগিছিল তেওঁ যেন সুৰেৰে
জনাব খুজিছে জীৱনৰ
কৰুণ গাথা
নিজম ৰাতিৰ সেই বাঁহীৰ সুৰে মোক
উন্মনা কৰি তুলিছিল
ঢাপলি মেলিছিলো তেওঁৰ
কাষলে'
জানিব খুজিছিলো বেদনাৰ কথা
ওচৰ নৌপাওতেই মাৰ মাতত
উচপ খাই উঠিলো
চকু মেলি দেখো অতপৰে আছিলো
মই মোৰ ৰাতিৰ বিচনাত।

## তুমিয়েই নেকি

শ্ৰীবৰষা পাটোৱাৰী
স্নাতক পঞ্চম ষান্মাসিক

তুমিয়েই নেকি সেইজনী আজলী?
তাহানিৰ এৰি অহা দিনবোৰৰ কথা
মনলৈ আহেনে তোমাৰ
নিশা ফৰকাল আকাশৰ তলত
আইতাই কোৱা ৰসভৰা সাধুবোৰৰ কথা
আহেনে তোমাৰ মনলৈ
পৰেনে মনত আইতাৰ উমাল অনুভূতিৰে
কৈ যোৱা জীৱনৰ তিতা-মিঠা
স্মৃতিবোৰ
আমিবোৰৰ য'তে বিলীন হোৱা
তুমিয়েই নেকি সেইজনী
চিনিব পৰা নাই কঠিন বাস্তৱৰ আঘাতত
আক্ৰান্ত আজলী তোমাক।

## যেতিয়া তুমি কাষত আছিলা

সঞ্জয় ৰাভা
স্নাতক চতুৰ্থ ষান্মাসিক (অসমীয়া বিভাগ)

যেতিয়া তুমি কাষত আছিলা
কল্পনা কৰা নাছিলো
তুমিবিহীন এটি নিশাৰ জোনাক।

যেতিয়া তুমি কাষত আছিলো
কল্পনা কৰা নাছিলো
তুমিবিহীন এটি দিন।
এতিয়া জানানে................
মোৰ জোনাক চাবলৈ ভয়েই লাগে,
জানোচা তোমালৈ মনত পৰে।

## মোৰ প্ৰথম প্ৰেমৰ ৰূপ

পংকলিনী দাস
উঃমাঃ ২য় বৰ্ষ

মোৰ জীৱনলৈ নামি আহিছিল
এজাক ভাল-পোৱাৰ বৰষুণ
মথাউৰি ভাঙি অহা পানীৰ দৰেই
হঠাৎ আহিছিল
পিচে তাৰ ৰূপ বানৰ দৰে নাছিল
প্ৰথমতে টোপাল টোপালকৈ নামিছিল
ভয় কৰা নাছিলোঁ বৰষুণ জাকক য'তে
সেয়ে উমলিছিলো বৰষুণ জাকৰ সতে
ভাল পাব ধৰিছিলো প্ৰতিটো টোপাল
বৰষুণ জাকৰ মাজত উন্মত্ত হ'ব ধৰিছিলো
ক্ৰমশঃ টোপালবোৰ গাঢ় হৈ আহিছিল
আৰু প্ৰবল ৰূপ লৈছিল
মথাউৰি ভাঙি অহা বিধ্বংসী পানীৰ দৰেই
সময়ত ভাঙি-চিঙি থৈ গ'ল মোৰ
প্ৰথম প্ৰেমৰ ঘৰ।

## বেদনা

শ্ৰীভনিতা দাস
স্নাতক পঞ্চম ষান্মাসিক

বুকুৰ মাজেৰে বৈ গৈছে ৰিব্ ৰিব্
হেৰুৱা গীতৰ ৰাগিনী
সপোন সন্ধ্যাৰ স'তে
ছাঁ— পোহৰৰ দিশহাৰা মিতিৰালি
আবতৰীয়া ধুমুহাত বিধ্বস্ত সুৰৰ স্বৰগম
শব্দ আৰু সুৰেৰে সজোৱা অমল মন
তোমাৰ হেঁপাহত বৈ বৈ
বহুবাৰ কৃষ্ণচূড়া জোপাই
গা ৰঙালে জোনাকত নাহৰ পলাশ
বকুল-তগৰ ফুলৰ সতে
অজস্ৰ দুখৰ খতিয়ান লৈ বাঢ়ি অহা
বুকুৰ মৰুভূমিত সাজিব নোৱাৰি
সুখৰ ঘৰ
সেমেকা বতাহত ওলমি থাকে
বিচ্ছেদৰ ইতিহাস।

---

## নিষ্ঠুৰ ডাৱৰ

মিচ ভাগ্যশ্ৰী বড়ো
স্নাতক চতুৰ্থ ষান্মাসিক (কলা)

মই যেতিয়া ৰাতিৰ
আকাশৰ ফালে চাই আছিলো
জোন আৰু তৰাবোৰে
আপোন লগৰী হৈ
মোৰ স'তে খেলিছিল
হঠাৎ এচপৰা ক'লা মেঘে
কাঢ়ি নিছিল সমস্ত উশাহ
সংগীহীন মই বিচাৰি ফুৰিছিলো
উমলিবলৈ নতুন লগৰী।

## বাছত এদিন

নুৰ ইছলাম
স্নাতক তৃতীয় যান্মাসিক

এতিয়া বৰষুণ পৰিছে
তথাপি মোৰ বুকুখন জ্বলিছে
সাধাৰণ জুই নহয়
যেন এক আগ্নেয়গিৰি
তোমাক দেখিছিলো সিদিনা
এখন গুলপীয়া বাছত
ক্ষন্তেকতে বাঢ়িছিল হৃদ স্পন্দন
মই আগ বাঢ়িব পৰা নাই
জঠৰ হৈ থিয় দি আছিলোঁ
সঘনাই নাচিছিল তোমাৰ কাণফুলি
হঠাৎ বাছখনৰ লগতে মোৰ ভাৱনাতো
ব্ৰেক লাগিল
কলেজ গেটত বাছখন ৰখালে
আৰু তুমি মোক নোচোৱাকৈ
নামি গ'লা
পিচে পিচে মই।

## প্ৰেম এক মিঠা অনুভূতি

ভাস্কৰ চৌধুৰী
স্নাতক পঞ্চম ষান্মাসিক

তোমাৰ সেই মিচিকিয়া হাঁহিটি দেখিলে
পাহৰি যাওঁ প্ৰকৃততে দুঃখনো কি
বুজি পাওঁ সুখনো কি
তোমাৰ সেই গভীৰ দুচকুলৈ চালে
শিহৰণ জাগি উঠে
বুকুৰ মাজত
তোমাক চাই থমকি ৰ'ব খোজে মোৰ
আকলুৱা চকু
তোমাৰ মৌ-মিঠা মাতত শান্ত হয়
অস্থিৰ দেহ
আতমাই বিচাৰি যায় তোমাৰ শ্ৰষ্টাক
লাজত ৰঙা-চিঙা পৰা গাল দুখনি যেন
বৰযুণৰ পিচৰ এখন ৰামধেনুহে
হৃদয়ক দি যায় মিঠা আলোড়ন
তোমাৰ ছন্দময় পদধ্বনি শুনিলে এনে লাগে
সেয়া যেন মুগ্ধময় সংগীতৰহে তাল
মোৰ সপোন ৰৈ আছে তোমাৰ এটি
কোমল — মধুৰ পৰশৰ বাবে।

## জৱাহৰজ্যোতি

মিচ ভণ্টিদীপা ৰাভা
স্নাতক চতুৰ্থ ষান্মাসিক

"জৱাহৰজ্যোতি' তোমাৰ আহ্বান আমি
শুনিছো,
প্ৰেৰণাৰ উৎস আমাৰ
প্ৰাণৰ "জৱাহৰজ্যোতি" তুমি।
কবিতাতে নহয় শেষ
আৰু কত কি ৰসাল কথা
তোমাক পিন্ধাম আমি
সৃষ্টিৰ সুগন্ধি মালা
সুশোভিত হব তোমাৰ
প্ৰতি পৃষ্ঠা পাহি
"জৱাহৰজ্যোতি" তোমাক কৰিছোঁ
মিনতি
তুমি ল'বা মৰমেৰে
আমাৰ সৃষ্টিক আকোৱালী

# তুমি, মই আৰু বৰষুণ

নয়ন মণি নাথ
স্নাতক ষষ্ঠ ষান্মাসিক

ট্ৰেফিক পইণ্টৰ পুলিচৰ ছিগনেলত
গাড়ী ৰখোৱাৰ দৰে
মোৰ হৃদয়ৰ চিগনেলত
দীঘল ব্ৰেক মাৰি ৰৈ যাব
মেঘবোৰ
নামি আহিব তিতিবলে'
এজাক প্ৰেমৰ বৰষুণ
ধুৱাই নিব আমাক দুয়োকে
হতাশাই গাজনি মাৰিব পাৰে
তুমি উচপ নাখাবা
যন্ত্ৰনাই বিজুলী চমকাব পাৰে
তুমি উচাপ নাখাবা
বাধাৰ বতাহে যদি
এৰুৱাই নিব খোজে
তোমাৰ আচল
তথাপিও থমকি নৰ'বা
মই ৰৈ থাকিম
তোমাৰ বাবে
আশাৰ ফুল পাহ লৈ
ফুলৰ সুবাসত সৃষ্টি হ'ব
ৰোমাণ্টিক কথাছবিৰ দৃশ্য
তুমি, মই আৰু বৰষুণ।

# গীত

শ্ৰী ইমন তালুকদাৰ
উঃমাঃ প্ৰথম বৰ্ষ (কলা শাখা)

এইখন দেশতে জনম লভিলোঁ
অ' মোৰ অসমী আই।
ক'ত তিয়াগেৰে তোমাক সজালোঁ
তোমাৰ যে তুলনা নাই।।
শঙ্কৰে ৰচিলে বৰগীত ভটিমা
প্ৰচাৰিলে অমিয়া নাম।
কীৰ্ত্তন, ঘোষা নামে প্ৰতি ঘৰে ঘৰে
কৰেহি আত্মাস্নান।।
লাচিতৰ তৰোৱালে শতৰুক খেদিলে
মণিৰামে ৰাখিলে মান
গাভৰু কনকৰ ত্যাগৰ শলিতাই
পোহৰামে তোমাৰ-প্ৰাণ।।
জ্যোতি-বিষ্ণু ৰসৰাজ-আজানে
কৃষ্টিৰ থাপিলে ভেটি।
আহা অসমীয়া আহা সমনীয়া
গঢ়ো মিলনৰ ভেটি।।

# ক্ষন্তেকীয়া আশা

নয়ন জ্যোতি ৰাভা
স্নাতক ষষ্ঠ যান্মাসির্ক (বিজ্ঞান)

আন্ধাৰ আছিল
পোহৰালা তুমি
নিৰাশা আছিল
আশা দিলা তুমি
কথা দি কথা নাৰাখিলা
নিজান বাটত এৰি দি কলা
মোক তোমাৰ কোনো কালে
প্ৰয়োজন নাই বুলি।

# জীৱনৰ ৰং

শ্রীদেৱ কুমাৰ দাস
প্রাক্তন ছাত্র (নৃতত্ব বিভাগ)

"দেউতা, কলম এটা লাগে.......
বহী এখনো লাগে........"

"আজি আনিবি"।

......................

"নিজে আনি লবি"।
বুজাব নোৱাৰা ক্ষোভতি ফাটি পৰিছিলো।

সেই যে ল'ৰালিৰ ক্ষোভ আজিও...........।
সুখ কি? দেউতাই লুটিয়াই যোৱা

দৰিদ্রতাৰ পতাকা? নে ভাৱলেশহীন মৌনতা
নে আইৰ দুখেৰে ভৰা বিষাদৰ এষাৰি
মিঠা মাত?
যিয়ে মনত প্রশান্তি আনে
জীয়াই থকাৰ দুৰ্বাৰ হেপাঁহ জগায়।

(২)

তোমাৰ ফুলসৰা হাহিতকৈও উমাল
মোৰ ল'ৰাৰিৰ কান্দোন
ল'ৰালিৰে পৰা তুমি পথাৰ দেখা নাই,
আৰু মোক ল'ৰাৰিতে পথাৰৰ
জোকে খোৱা ঘাঁ এতিয়াওঁ শুকোৱা নাই।
তুমি নিচুকণি গীতত টোপনি যোৱা
আৰু মই..........
আৰু মই মাৰ সহস্ৰ চিন্তা আৰু
বক বকনিত উজাগৰে থাকো সমগ্ৰৰাতি।
পাৰিলে চুই চাবা
তোমাৰ বুকুতকৈও কোমল
মোৰ অর্থহীন প্রলাপ।

(৩)

বিষাদৰ কাপোৰ পিন্ধা মনটো ভাল
লাগে ৰি ৰি কৈ বিষায় কলিজাটো।

# শীত

পৰীস্মিতা দাস
স্নাতক ষষ্ঠ ষান্মাসিক

শীত এক মিঠা শিহৰণ
বৈ যায় হৃদয়ৰ পৰা হৃদয়লৈ
শীতল বোৱতি নৈৰ দৰে
সৰগৰ অপেশ্বৰী তাই
আকাশৰ বুকুত আৰি দিয়ে
এখনি পাতল চাদৰ
কুহেলিকাময়
মৰমীয়াল মাতৃ তাই
অভিমানী সুৰুজে ঠেহ পাতি লুকাই
তাইৰ সুশীতল আঁচলৰ আঁৰত
আদৰেৰে আবৰি ৰাখে তাই
কুমলীয়া সুৰুজক
শীত—
যেন ন-কইনাৰ খোপাৰ ওৰণি
আলফুলে ঢাকি ৰাখে
দিনমনিৰ মিচিকিয়া হাঁহি
নিহালিৰ তলৰ এটি উমাল
সপোন তাই
প্ৰেয়সীৰ লিহিৰি আঙুলিৰ পৰশ
শীতল শীতল
শীত এটি উন্মাদনা
এটি আকুল প্রতীক্ষা
ৰৌদ্ৰস্নাতা আবেলিলৈ।

## শৰত ঃ এটি অৱলোকন

স্বৰ্ণময়ী তালুকদাৰ
প্ৰবক্তা, নৃতত্ত্ব বিভাগ

শৰতচু তুমি আহা
উদ্দীপ্ত যৌৱন লৈ
জোনালী নিশা
মায়াময় আৱেশেৰে
তুমি সৃষ্টিৰ বীজ সিঁচা
সেউজীয়া সপোনৰ।
তুমি বিটৌত কৰা
পৃথিৱীৰ পঙ্কিলতা
সমাজৰ কলুষতা
উৰ্বৰতা ঢালি দিয়া
সোণালী দিনৰ।
তুমি আহা,
আকাশৰ উদাৰতা লৈ,
শেৱালিৰ সুৱাস হৈ
সোণোৱালী শইচ হৈ
মনৰ পৰিধি ভাঙি
প্ৰসাৰিত কৰা শান্তিৰ বাণী।

## মই প্ৰকৃতি

কল্পকীৰ্তি দাস
উঃমাঃ প্ৰথম বৰ্ষ

মই প্ৰকৃতি
ধৰাৰ বুকু ৰঙীন কৰি তোলা
মই প্ৰকৃতি
গাভৰুৰ মুখত হাঁহি বিৰিঙোৱা
বসন্তৰ আনন্দত ৰং চতিওৱা
মই এক অপূৰ্ব সৃষ্টি
শত প্ৰেমিকৰ মনলৈ ঢৌ কঢ়িওৱা মই
ৰাংঢালী পখিলি
মই যে আছিলোঁ কবিতাৰ
অনন্ত উৎস
পিচে মই আজি ৰংহীন অনুজ্বল প্ৰকাশয
পীড়নৰ সীমাহীন দাগ শৰীৰৰ
প্ৰতিটো অংগত
হেৰুৱালো ভুৱনমোহিনী ৰূপ
কিয় জানো আজিও বিচাৰো
জীয়াই থাকি সকলোকে
জীয়াই ৰাখিব ।

# অপৰূপা

পৰীস্মিতা দাস
স্নাতক ষষ্ঠ ষান্মাসিক

আজলি ভৰাই বুটলি ললো
মোৰ পদূলিত সৰি থকা
আমোল-মোল শেৱালি
সুবাসে ভৰাই তোলে
হৃদয় জুৰি থকা অনুভৱৰ কৰণি ।

ই যে প্ৰকৃতিৰ অপৰূপ সৃষ্টি।
প্ৰকৃতি
হাঁহিবলৈ শিকিলো
তোৰ কোলাতেই উমলি-জুমুলি
তোৰ বুকুতেই সৃষ্টিৰ বীজে
মেলি দিয়ে গজালি ।

তোৰ লাৱনি হাতে সজাই তোলে
কৃষকৰ বুকুৰ উমেৰে গঢ়া
সোণালী পথাৰ
তোৰ বুকুতেই বাজে
গছৰ ডালে ডালে
চৰাইৰ কাকলিৰ
অমিয়া ঝংকাৰ ।

তই বোৱাই দিয়া ফাগুণী বতাহে
সৰুৱাই দিয়ে শীতৰ শুকান পাত
বসন্তত নতুনকৈ গজালি মেলিবলৈ।
মন উৰুৱাই, হিয়া নচুৱাই
হৃদয়ত বলাই
সৃষ্টিৰ বাউলী বা।

প্ৰকৃতি
তই দি যাৱ স্নেহ পৰশন
সকলো তোৰ আকুল প্ৰেমিক
তই বিলাই দিয়া সৃষ্টিৰ গান
সজাই তুলিবলৈ এই ধৰণীক ।

নৈ বিল জান জুলি
পাহাৰ ভৈয়াম
জিৰ জিৰ বৰষুণ
গাজনি মেঘৰ ।
আকাশত লুকাভাকু শুকুলা মেঘৰ
নীলিম আবাস মেঘ
জোন বেলি তৰাৰ ।

প্ৰকৃতি
মোহিত মই
সনোমহিত মই
অপৰূপা তোমাৰ সৌন্দৰ্য্য
আৰু তোমাৰ সৃষ্টিত ।

# প্ৰকৃতি কন্যা

মনামী ডেকা
উঃমাঃ প্ৰথম বৰ্ষ

বিশাল আকাশৰ তলত থিয় হৈ
আজি মই বিচাৰিছোঁ তোমাক প্ৰকৃতি
মইযে ৰূঢ় বাস্তৱৰ বাসিন্দা,
তোমাৰ কোলাত শুই পৰিম যেন
চিৰস্মসৰে ।
পৰ্বতৰ দৃঢ়তাত মই আকৌ জন্মি ল'ম
নৈৰ অবিৰাম গতিত কঢ়িয়াই লৈ যাম জীৱন গতি।
তেনেকৈয়ে ভাবিছো মই এতিয়া।
ভাবিবলৈ যে বাধ্য
যান্ত্ৰিক পৃথিৱীত সৃষ্টি হোৱা প্ৰতিটো বস্তুৰেই
যান্ত্ৰিক ।
মই হ'ব খোজা নাই।
জীয়াই থাকিব খোজো তোমাৰ বুকুৰ মাজত,
মোৰ যে এখন ঘৰ হ'ব
আকাশৰ চাল, বতাহৰ বেৰ ।
বাৰিষাৰ বৰষুণে তিয়াই নি মোক
ফাগুণৰ পছোৱাই চঞ্চল কৰিব মোক
মোৰ প্ৰকৃতিৰ ঘৰ
পখিলাবোৰে মোক চুই চেনেহ দিব,
চৰাইবোৰে মোক দূৰ দেশৰ বতৰা দিব,
জন্তুবোৰে মোক জীয়াই থাকিবৰ বাবে উৎসাদ দিব।
মোক মাথোঁ সৃষ্টি কৰা তোমাৰ বুকুত
খেলিম, ফুৰিম, তোমাক কেতিয়াও দুখ নিদিওঁ।
মই যে প্ৰকৃতিৰ কন্যা হ'ব বিচাৰোঁ

# প্ৰকৃতি আৰু সৃষ্টি

গোবিন্দ বড়ো
স্নাতক ষষ্ঠ ষান্মাসিক

তোমাৰ কোলাতে লয়
ভিন্নজনে দু চকুখুলি
জীৱনৰ দীঘলীয়া যাত্ৰাৰ পথ।

যদি চাওঁ যেনিয়ে তেনিয়ে
সৃষ্টিৰ সুবাস বিনন্দীয়া
সেউজী ছাঁ তোমাৰ

ক'তোজনে লয় নিজ বাসনা
নানা ৰঙে সানি।
হে জননী অপৰূপা ধৰিণী
থাকিবা
তোমাৰ অবিহনে
নাথাকে কোনোকালে প্ৰাণী

তোমাৰ সৃষ্টিৰ বুকুত
আছে কতোজনৰ
মধুৰ জীৱনৰ চাণেকি
আৰু
নানা অৰূপ ৰূপাঞ্জলী ।

# প্ৰশ্নোত্তৰ শিতান